**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***
-----------------------------

১। জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৭ খন জিলাৰ ২৪টা সমষ্টিত আজি ভোটগ্ৰহণ কৰা হৈছে।

২। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ে **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত দেশত বৰ্তমানলৈ প্ৰায় ৭ হাজাৰ গছপুলি ৰোপণ কৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, চৰকাৰ তৃণমূল পৰ্যায়ৰ প্ৰতিভাসমূহক চিনাক্ত কৰিবৰ বাবে সামগ্ৰিক প্ৰশিক্ষণ আৰু আন্তঃগাঁথনিৰ যোগান ধৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

৪। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰখনে দেশখনৰ আইন শৃংখলা পৰিস্থিতি উন্নত কৰাৰ লক্ষ্যৰে বাংলাদেশ সেনাৰ কমিছনড বিষয়াসকলক কাৰ্যবাহী দণ্ডাধীশৰ ক্ষমতা প্ৰদান কৰিছে। **আৰু**

৫। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ জয় কৰাৰ বাবে ভাৰতীয় পুৰুষ হকী দলটোক অভিনন্দন জনাইছে।

০০০০০০০

জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ পুৱা ৭ বজাৰ পৰা চলি আছে। বিয়লি ৬ বজাত এই ভোটগ্ৰহণ প্ৰক্ৰিয়া অন্ত পৰিব। ৰাজ্যখনত আজি ৭ খন জিলাৰ ২৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে দিনৰ ১১ বজালৈকে ২৬ দশমিক ৭-২ শতাংশৰো অধিক ভোটদাতাই ভোটদান কৰিছে। উল্লেখযোগ্য যে ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ পাছত জম্মু-কাশ্মীৰত প্ৰথমবাৰৰ বাবে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভোটদাতাসকলক দলে-বলে ওলাই আহি তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। সামাজিক মাধ্যমৰ এটা পʼষ্টত শ্ৰী মোদীয়ে জনসাধাৰণক বিশেষকৈ যুৱক-যুৱতী তথা প্ৰথমবাৰৰ বাবে ভোটদান কৰা লোকসকলক গণতন্ত্ৰৰ এই উৎসৱক শক্তিশালী কৰাৰ বাবে ভোটদান কৰিবলৈ উৎসাহ যোগায়। আনহাতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, প্ৰবল ইচ্ছাশক্তি সম্পন্ন এখন চৰকাৰেহে সন্ত্ৰাসবাদমুক্ত জম্মু আৰু কাশ্মীৰ গঠন কৰিবলৈ সমৰ্থ হোৱাৰ লগতে নাগৰিকৰ অধিকাৰৰ সুৰক্ষা তথা উন্নয়নমূলক কাম-কাজ ত্বৰান্বিত কৰিব পাৰিব। শ্ৰী শ্বাহে যুৱচামৰ শিক্ষা, নিয়োগ, মহিলা সবলীকৰণ আৰু জম্মু-কাশ্মীৰৰ পৃথকীকৰণক সমাপ্ত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ এখন চৰকাৰ নিৰ্বাচন কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। ৰাজ্যখনত ২৫ ছেপ্তেম্বৰত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হʼব। আনহাতে ১ অক্টোবৰত হʼবলগীয়া তৃতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা ৩৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে।

এতিয়া এই পৰ্যায়ত ৪০টা বিধানসভা সমষ্টিত ৪১৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ৰাজ্যখনত ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত বৰ্তমানলৈকে প্ৰায় ৭ হাজাৰ গছপুলি ৰোপণ কৰিছে। মন্ত্ৰালয়ৰ অধীনত ক্ষেত্ৰ বিষয়াসকলে সমগ্ৰ দেশৰ চহৰ আৰু গ্ৰামাঞ্চলৰ বিভিন্ন স্থানত গছপুলিসমূহ ৰোপণ কৰিছে। এই বছৰৰ বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কাৰ্যসূচী মুকলি কৰিছে।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে প্ৰকৃতি সুৰক্ষা তথা এখন সুস্থ পৃথিৱী গঢ়ি তোলাত অৰিহনা যোগোৱাৰ উদ্দেশ্যে চলিত বৰ্ষৰ আগষ্ট মাহৰ দ্বিতীয় সপ্তাহত এই গছপুলি ৰোপণ অভিযান আৰম্ভ কৰিছিল। মন্ত্ৰালয়ে লগতে কালি আৰম্ভ হোৱা স্বচ্ছতাই সেৱা অভিযানৰ অধীনত গছপুলি ৰোপণ কাৰ্যসূচী ক্ষীপ্ৰতৰ কৰি তোলাৰ প্ৰচেষ্টা চলোৱা হৈছে বুলি প্ৰকাশ কৰিছে। ১ অক্টোবৰত স্বচ্ছতাই সেৱা অভিযানৰ অন্ত পৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব। শ্ৰীমোদীয়ে ২১ ছেপ্তেম্বৰত ৱাশ্বিংটনৰ ডেলাৱেৰত হ'বলগীয়া কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ চতুৰ্থ শীৰ্ষ সন্মিলনত ভাগ ল'ব। ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অনুৰোধ মৰ্মে অহা বছৰ কোৱাড শীৰ্ষ সন্মিলনৰ আয়োজন কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। বিদেশ মন্ত্ৰালয়ে কৈছে যে বৈঠকত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলে বিগত এটা বছৰত ৰাষ্ট্ৰগোষ্ঠীটোৱে লাভ কৰা প্ৰগতিৰ পৰ্যালোচনা চলাব। তেওঁলোকে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ দেশসমূহক নিজৰ নিজৰ উন্নয়নৰ লক্ষ্য আৰু আশা-আকাংক্ষা পূৰণ কৰাত সহায় কৰাৰ বাবে পৰৱৰ্তী এটা বছৰৰ বাবে কাৰ্যসূচী নিৰ্ধাৰণ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ২৩ ছেপ্তেম্বৰত নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত **ছামিট অব দ্য ফিউচাৰ** শীৰ্ষক সন্মিলনক সম্বোধন কৰিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে উন্নত ভৱিষ্যতৰ বাবে বহুপাক্ষিক সমাধান। বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক নেতাই এই সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত ভাগ লোৱাৰ সুযোগতে প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন দেশৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত ভিন ভিন বিষয় লৈ আলোচনা কৰিব। ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে নিউয়ৰ্কত ভাৰতীয় সম্প্ৰদায়ৰ এটা সমাবেশকো সম্বোধন কৰিব। তেওঁ লগতে কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং, অৰ্দ্ধপৰিবাহী আৰু জৈৱ প্ৰযুক্তি আদি ক্ষেত্ৰত উভয় দেশৰ মাজত সহযোগিতা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, চৰকাৰ তৃণমূল পৰ্যায়ৰ প্ৰতিভাসমূহক চিনাক্ত কৰিবৰ বাবে সামগ্ৰিক প্ৰশিক্ষণ আৰু আন্তঃগাঁথনিৰ যোগান ধৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে, সামগ্ৰিক প্ৰচেষ্টাই প্ৰত্যেককে দেশৰ সাফল্যৰ প্ৰতি অৰিহনা যোগোৱাটো নিশ্চিত কৰিব। নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় নিচাজাতীয় দ্ৰব্য প্ৰতিৰোধী সংস্থা, নাডাই আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এনেদৰে কয়। ড০ মন্দাভিয়াই কয় যে, নাডাই বিশেষভাৱে সক্ষম খেলুৱৈসকলৰ বাবে নিচাজাতীয়

দ্ৰব্য প্ৰতিৰোধী শিক্ষামূলক কাৰ্যসূচী ৰূপায়ণৰ হকে কাম কৰি আছে। মন্ত্ৰীগৰাকীয়ে লগতে এই সংস্থাই শিক্ষা মন্ত্ৰালয়ৰ সৈতে এনেধৰণৰ কাম-কাজৰ বিকাশৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা বুলিও জানিবলৈ দিয়ে।

ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে খেলো ইণ্ডিয়া পেৰা গেমছ, বিশেষ অলিম্পিকছ ভাৰত আৰু শ্ৰৱণশক্তি বাধাগ্ৰস্তসকলৰ বাবে গঠিত সৰ্বভাৰতীয় ক্ৰীড়া পৰিষদৰ বিষয়ে উল্লেখ কৰি পেৰা এথলিটসকলৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ ওপৰত আলোকপাত কৰে। খেলো ইণ্ডিয়া আঁচনিৰ অধীনত আন্তঃগাঁথনি নিৰ্মাণ আৰু বাধাগ্ৰস্তসকলৰ প্ৰশিক্ষণৰ বাবে চৰকাৰে প্ৰায় ২৫ কোটি টকা আবণ্টন দিয়া বুলিও তেওঁ লগতে উল্লেখ কৰে।

০০০০০০০

চৰকাৰে মণিপুৰত পুনৰ শান্তি স্থাপনৰ বাবে বিগত এশ দিনত ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। গৃহ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি ৰাজ্যখনত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ দুটা বেটেলিয়ন আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ২০০টা কোম্পানী নিয়োগ কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নিয়মীয়াকৈ ৰাজ্যখনৰ নিৰাপত্তা ব্যৱস্থা পৰ্যালোচনা কৰি থকাৰ লগতে যাৱতীয় ব্যৱস্থাসমূহ সুনিশ্চিত কৰিছে বুলি জানিব পৰা গৈছে। চৰকাৰে লগতে ভাৰত-ম্যানমাৰ সীমান্তত মুক্ত গতিবিধি বন্ধ কৰি দিছে। তদুপৰি নিৰাপত্তা ব্যৱস্থাৰ কেবিনেট সমিতিয়ে ভাৰত আৰু ম্যানমাৰৰ মাজৰ এহেজাৰ ৬১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত বেৰা আৰু পথ নিৰ্মাণত অনুমোদন জনাইছে।

০০০০০০০

মহম্মদ ইউনুছ নেতৃত্বাধীন বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰখনে দেশখনৰ আইন শৃংখলা পৰিস্থিতি উন্নত কৰাৰ লক্ষ্যৰে বাংলাদেশ সেনাৰ কমিছনড বিষয়াসকলক কাৰ্যবাহী দণ্ডাধীশৰ ক্ষমতা প্ৰদান কৰিছে। দেশখনৰ ৰাজহুৱা প্ৰশাসন মন্ত্ৰালয়ে কালি জাৰি কৰা গেজেট অধিসূচনা অনুসৰি সমগ্ৰ দেশখনৰ যোগ্যতাসম্পন্ন সেনা বিষয়াসকলে পৰৱৰ্তী ৬০ দিনৰ বাবে সংশ্লিষ্ট জিলাসমূহৰ দণ্ডাধীশসকলৰ অধীনত কাৰ্যবাহী দণ্ডাধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব পাৰিব।

উল্লেখযোগ্য যে সংৰক্ষণ সংস্কাৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত আৰম্ভ হোৱা ৰাষ্ট্ৰজোৰা সংঘৰ্ষৰ সময়ছোৱাত শ্বেইখ হাছিনা নেতৃত্বাধীন বাংলাদেশৰ তদানীন্তন চৰকাৰখনে যোৱা ১৯ জুলাইত সেনাবাহিনী নিয়োগ কৰাৰ লগতে সমগ্ৰ দেশতেই সান্ধ্য আইন জাৰি কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত ছাত্ৰ বিদ্ৰোহৰ পৰিপ্ৰেক্ষিতত ৫ আগষ্টত আৱামী লীগ নেতৃত্বাধীন চৰকাৰখন ক্ষমতাচ্যুত হয় আৰু তিনি দিন পাছত ন'বেল বঁটাৰে সন্মানিত অৰ্থনীতিবিদ ড০ মহম্মদ ইউনুছৰ নেতৃত্বত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰা হয়। আনহাতে আৰক্ষী আৰু আন সংস্থাসমূহে দেশখনৰ আইন শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ বাবে সমৰ্থ হৈ নুঠাৰ প্ৰতি লক্ষ্য ৰাখি অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ পাছতো দেশখনত শান্তি শৃংখলা ৰক্ষাৰ বাবে সেনা বাহিনী নিয়োজিত হৈ আছে।

০০০০০০০

দিল্লীৰ এখন আদালতে প্ৰাক্তন ৰে'ল মন্ত্ৰী লালু প্ৰসাদ যাদৱ, তেওঁৰ পুত্ৰ তথা বিহাৰৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তেজস্বী যাদৱ আৰু আন কেইবাগৰাকীও লোকক ক'লাধন বৈধকৰণ গোচৰ সন্দৰ্ভত চমন জাৰি

কৰিছে। দিল্লীৰ ৰ'জ এভিনিউ আদালতে লগতে লালু প্ৰসাদৰ বৰ পুত্ৰ তেজপ্ৰসাদ যাদৱলৈও এই গোচৰ সংক্ৰান্তত চমন জাৰি কৰিছে। বিশেষ ন্যায়াধীশ বিশাল গ'গনেই অহা ৭ অক্টোবৰত অভিযুক্তকেইজনক আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিছে।

০০০০০০০

পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ইতিহাসত নিজকে সবাতোকৈ সফল দলৰূপে প্ৰতিষ্ঠা কৰি ভাৰতে অভিলেখ সংখ্যক পঞ্চমবাৰৰ বাবে খিতাপ দখল কৰিছে। হুলুনবুইৰত আয়োজক দেশ চীনৰ বিৰুদ্ধে কালি অনুষ্ঠিত ৰোমাঞ্চকৰ খেলখনত ভাৰতৰ হৈ যুগৰাজ সিঙে একমাত্ৰ গলটো দি দলৰ বিজয়ৰ পথ প্ৰশস্ত কৰে। উল্লেখযোগ্য যে ভাৰতে বৰ্তমানলৈ প্ৰতিযোগিতাৰ ৮টা সংস্কৰণৰ ভিতৰত ছবাৰ চূড়ান্ত পৰ্যায়ত অৱতীৰ্ণ হৈছে আৰু ৫ বাৰ খিতাপ দখল কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ জয় কৰাৰ বাবে ভাৰতীয় পুৰুষ হকী দলটোক অভিনন্দন জনাইছে। আনহাতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো ভাৰতীয় দলটোৰ অপূৰ্ব প্ৰদৰ্শনৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০

সমাপ্ত